# বৰগীত

## TEXTUAL QUESTIONS AND ANSWERS

---

### প্ৰশ্ন ১। বৰগীতটিৰ মূলভাৱ লিখা ।

**উত্তৰঃ** এই বৰগীতটিৰ মাজেৰে মহাপুৰুষ মাধৱদেৱে পৰমপুৰুষ শ্ৰীকৃষ্ণৰ শিশুকালৰ বৰ্ণনা দাঙি ধৰিছে । ভকতৰ মনোবাঞ্ছা পূৰণ কৰিবলৈ কৃষ্ণই সাধাৰণ শিশুৰূপত উপজি যশোদাৰ ঘৰত কিদৰে নানা চাতুৰী খেলিছিল , তাকে কবিয়ে এই বৰগীতটিৰ জৰিয়তে দেখুৱাইছে ।

মাকে কৃষ্ণক স্তন পান কৰিবলৈ নিদি উতলাৰো গাখীৰ নমাবলৈ ঘৰৰ ভিতৰলৈ লৰ দিয়াত কৃষ্ণৰ অভিমান লাগিল । তেওঁ খঙতে মথনী ভাঙি মাখনবোৰ নষ্ট কৰিলে । উড়ালৰ ওপৰত উঠি কিছু মাখন নিজেও খালে আৰু কিছু লগৰ বান্দৰবোৰক ভগাই দিলে । মাকে ক্ষীৰখিনি নমাই থৈ আহি দেখে যে কৃষ্ণই মথনী ভাঙি গাটৈইখিনি দৈ নষ্ট কৰিছে । কোনফালে পলাল বুলি মাকে কৃষ্ণক বিচাৰিব ধৰিলে । কৃষ্ণৰ এনে কাৰ্যৰ মাজেৰে তেওঁৰ চাতুৰী প্ৰকাশ পাইছে । বাৎসল্য ভাবৰ এই গীতটিৰ মাজেৰে আচলতে ভক্ত আৰু ভগৱানৰ মিলনৰ পথহে দেখুওৱা হৈছে ।

### প্ৰশ্ন ২। মাকে কৃষ্ণক কোলাৰ পৰা নমাই থৈ ঘৰৰ ভিতৰলৈ যাওঁতে কৃষ্ণই কি কৰিছিল ?

**উত্তৰঃ** কৃষ্ণই মথনী ভাঙি মাখনবোৰ নষ্ট কৰিছিল।উড়লৰ ওপৰত উঠি নিজেও মাখন খাইছিল আৰু লগৰ বান্দবোৰকো মাখন ভগাই দিছিল ।

### প্ৰশ্ন ৩। কৃষ্ণই লৱণুবোৰ কাক ভগাই দিছিল ?

**উত্তৰঃ** লগৰ বান্দৰবোৰক ।

### প্ৰশ্ন ৪। কৃষ্ণৰ চাতুৰী খেলা বৰগীতটি কি দৰে প্ৰকাশ পাইছে ?

**উত্তৰঃ** বৰগীতটিৰ মাজেৰে কৃষ্ণৰ চাতুৰী খেলা সুন্দৰভাবে প্ৰকাশ পাইছে । মাকে কৃষ্ণক স্তন পান কৰিবলৈ নিদি কোলাৰ পৰা নমাই থৈ ঘৰৰ ভিতৰলৈ যোৱাত কৃষ্ণৰ অভিমান লাগিছে । খঙতে তেওঁ দুষ্টালি আৰম্ভ কৰিছে । মথনী ভাঙি মাখনবোৰ নষ্ট কৰিছে । কিছু

মাখন নিজেও খাইছে আৰু কিছু লগৰ বান্দৰবা◌েৰক ভগাই দিছে।এইদৰে চাতুৰী খেলি কৃষ্ণই পিয়াহ খাবলৈ নিদিয়া বাবে মাকৰ ওপৰত পা◌েতক তুলিব বিচাৰিছে ।

**প্ৰশ্ন ৫। ‘ক্ষীৰ ৰাখিতে গয়া◌ে মাই’ ইয়াত মাই বুলি কাৰ কথা কোৱা হৈছে ?**

**উত্তৰঃ** কৃষ্ণৰ মাক যশা◌েদাৰ কথা কোৱা হৈছে ।

**প্ৰশ্ন ৬। কৃষ্ণই মথনী ভঙা দেখি যশা◌েদাই কি কৰিছিল ?**

**উত্তৰঃ** ‘ গা◌েটেই দৈ নষ্ট কৰি কোনফালে পলাল’— বুলি কৃষ্ণক বিচাৰি ফুৰিছিল ।

**প্ৰশ্ন ৭। বৰগীতটিত উল্লেখ থকা গাখীৰৰ পৰা প্ৰস্তুত কৰা দুবিধ বস্তুৰ নাম লিখা ।**

**উত্তৰঃ** ক্ষীৰ আৰু লৱণু ।

**প্ৰশ্ন ৮। “ সৱ দধি নাশল কহিতু পলাৱল ” -এই শাৰীটো আধুনিক অসমীয়াত লিখা ।**

**উত্তৰঃ** “ গা◌েটেইখিনি দৈ নষ্ট কৰি থৈ কোনফালে পলাল ” ।

**প্ৰশ্ন ৯। প্ৰসংগ সংগতি দৰ্শাই ব্যাখ্যা কৰা— “**

” উড়ল উৱৰে চড়ি          লৱণু ভুঞ্জন্ত হৰি

বান্দৰ সৱ লৈয়া সাথে ।

পিও লৱণু          বানৰ মাজে ক্ষেপন

বানৰে ধৰয় লুম্ফি হাতে ॥ ”

**উত্তৰঃ** ওপৰা◌েক্ত বৰগীতফাঁকি আমাৰ পাঠ্যপুথিত সন্নিবিষ্ট মহাপুৰুষ মাধৱদেৱ বিৰচিত বৰগীত ’ নামৰ পাঠটিৰ পৰা লা◌েৱা হৈছে ।

মাকে স্তন পান কৰিবলৈ নিদি ঘৰৰ ভিতৰলৈ যা◌েৱাত কৃষ্ণই কি দৰে চাতুৰী খেলিছিল , তাকে এই বৰগীত ফাঁকিৰ জৰিয়তে দেখুওৱা হৈছে ।

স্তন পান কৰিবলৈ নিদি উতলাোৱা গাখীৰ নমাবলৈ মাকে ঘৰৰ ভিতৰলৈ যাোৱাত কৃষ্ণৰ অভিমান লাগিল । খঙতে মথনী ভাঙি তেওঁ মাখনবাোৰ নষ্ট কৰিলে । উড়লৰ ওপৰত উঠি লৈ কৃষ্ণই নিজেও মাখন খালে আৰু লগৰ বান্দৰবিলাকৰ ফালে মাখন দলিয়াই দিলে । বান্দৰবাোৰে থাপ মাৰি ধৰি মাখন খাবলৈ ধৰিলে ।

**প্ৰশ্ন ১০। সমাৰ্থক শব্দবাোৰে মিলাোৱা –**

সংশয়,শক্তি ,ক্ষমতা ‘সুধীৰ, ধ্বংস ,দ্বিধা, প্ৰশান্ত, নিপাত,বহল,নাগাৰা,কাচিৎ ,পুতল ,দুন্দভি ,দৈবাৎ

**উত্তৰঃ** সংশয় – দ্বিধা ।

ক্ষমতা – শক্তি ।

ধ্বংস – নিপাত ।

প্ৰশান্ত – সুধীৰ ।

বহল – পুতল ।

কাচিৎ – দৈবাৎ।

দুন্দুভি – নাগাৰা ।

**প্ৰশ্ন১১। তলত দিয়া শব্দবাোৰৰ সমাৰ্থক ৰূপ লিখা ?**

দীন , সব , ওষ্ঠ, দধি , জননী ।

**উত্তৰঃ** দীন – দুখীয়া , দৰিদ্ৰ ।

সব – সকলাে , গাোটেই ।

ওষ্ঠ – ওঁঠ , অধৰ ।

দধি – দৈ গাখীৰ ।

জননী – আই,মাতৃ ।

**প্ৰশ্ন ১২। বৰগীতটিত থকা দুটাকৈ সমাপিকা ক্ৰিয়া আৰু অসমাপিকা ক্ৰিয়া লিখা ।**

**উত্তৰঃ** সমাপিকা ক্ৰিয়া – ভুঞ্জন্ত , নাশল ।

অসমাপিকা ক্ৰিয়া – আমিয়ে , ছাোড়াই ।

**প্ৰশ্ন ১৩। বিপৰীত লিঙ্গ বুজোৱা শব্দবাোৰ মিলাোৱা –**

পুত্ৰ,ৰাণী, পিতৃ, পুৰুষ, গাোৱালনী, বালক, স্ত্ৰী, পতি, বালিকা, কন্যা,গাোৱাল,মাতৃ / জননী

**উত্তৰঃ** পুত্ৰ – কন্যা ।

পিতৃ – মাতৃ / জননী ।

পুৰুষ – স্ত্ৰী ।

বালক – বালিকা ।

পতি – পত্নী ।

ৰজা – ৰাণী ।

গাোৱাল – গাোৱালনী ।

**প্ৰশ্ন ১৪। শব্দাৰ্থ লিখা ।**

কোপিত , হামাকু , অধৰ , অৰুণ – অধৰ ; ছাোড়াই , কম্পাৱত , দন্ত , উৱৰে , লুম্ফি , পলাৱল , কহিতু , বানৰ , ক্ষীৰ , মথনী

**উত্তৰঃ** কোপিত – খঙত , ক্ৰোধিত ।

হামাকু – আমাক , মোক ।

অধৰ – ওঁঠ ।

অৰুণ-অধৰ – ৰঙা ওঁঠ ।

ছাড়োই – এৰি থৈ ।

কম্পাৱত – কঁপিব ধৰা , কঁপি উঠা ।

দন্ত – দাঁত ।

উৱৰে – ওপৰত ।

লুম্ফি – লাফমাৰি ।

পলাৱল – পলাল ।

কহিতু – কোনফালে ।

বানৰ – বান্দৰ ।

ক্ষীৰ – তপতাই ডাঠ কৰা গাখীৰ ।

**প্ৰশ্ন ১৫। তলত তালিকাখনৰ কোনবোৰ পদ বিশেষ্য আৰু কোনবোৰ পদ বিশেষণ চিহ্নিত কৰা।**

সাধু, নিছলা, ৰং , কম্পিত , ভদ্ৰতা , ফুল , ফুলাম শৈশৱ

**উত্তৰঃ** সাধু – বিশেষণ ।

নিছলা – বিশেষণ ।

ৰং – বিশেষ্য ।

কম্পিত – বিশেষণ ।

ভদ্রতা – বিশেষ্য ।

ফুল – বিশেষ্য ।

ফুলাম – বিশেষণ ।

শৈশৱ – বিশেষ্য ।

**প্ৰশ্ন ১৬। মাধৱদেৱে ৰচনা কৰা কোনখন পুথিক তেওঁৰ জীৱনৰ কীৰ্তিস্তম্ভ বুলি কোৱা হয় ?**

**উত্তৰঃ** ‘ নামঘাে‌ষা ‘ক ।

**প্ৰশ্ন ১৭। মাধৱদেৱে ৰচনা কৰা তিনিখন অংকীয়া নাটৰ নাম লিখা—**

**উত্তৰঃ** ‘ চোৰধৰা ’ , ‘ দধি মথন ’ আৰু ‘ ভাে‌জন বেহাৰ ।

**প্ৰশ্ন ১৮। মহাপুৰুষ দুজনাই ৰচনা কৰা গীতসমূহক কিয় ‘বৰগীত’ আখ্যা দিয়া হৈছে ?**

**উত্তৰঃ** মহাপুৰুষ দুজনাই ৰচনা কৰা গীতসমূহক উচ্চ ভাৱসম্পন্ন বা শ্ৰেষ্ঠ অৰ্থ ( বৰ শ্ৰেষ্ঠ ) ত ‘বৰগীত ’ আখ্যা দিয়া হৈছে ।

**প্ৰশ্ন ১৯। ‘ ভটিমা ’ কি আৰু কেই প্ৰকাৰৰ ?**

**উত্তৰঃ** ভটিমা হ’ল বৈষ্ণৱ সংস্কৃতৰ এক প্ৰকাৰৰ স্তুতিমূলক গীত । ভটিমা তিনি প্ৰকাৰৰ দেৱ ভটিমা , গুৰু ভটিমা আৰু ৰাজ ভটিমা ।

**প্ৰশ্ন ২০। চমু টোকা লিখাঃ**

( ক ) ব্ৰজাৱলী ভাষা ।

( খ ) বৰগীত ।

**উত্তৰঃ** ( ক ) **ব্রজাৱলী ভাষা :-** ব্রজাৱলী হ'ল এটি মহাপুৰুষীয়া ভাষা । মহাপুৰুষ শংকৰদেৱ আৰু মাধৱদেৱে সকলো শ্রেণীৰ মানুহে বুজিব পৰাকৈ বঙালী , মৈথিলী , অসমীয়া ভাষাৰ সংমিশ্রণত এই ভাষাটো সৃষ্টি কৰিছিল । শ্রীকৃষ্ণৰ বাল্যলীলা – ক্ষেত্র ব্রজধামৰ ভাষাক কেন্দ্র কৰি ভাষাটো সৃষ্টি কৰা বাবে ইয়াক ব্রজাৱলী ভাষা বুলি কোৱা হয় । মহাপুৰুষ শংকৰদেৱ আৰু মাধৱদেৱে তেওঁলোকৰ সমস্ত পুথি এই ব্রজাৱলী ভাষাতেই ৰচনা কৰিছিল ।

( খ ) **বৰগীত :-** অসমীয়া সাহিত্যৰ বুৰঞ্জীত বৰগীতসমূহ এক অমূল্য সম্পদ । মহাপুৰুষ শংকৰদেৱ আৰু মাধৱদেৱে শাস্ত্রীয় ৰীতিৰ আধাৰত ৰচনা কৰা গীতসমূহৰে বৰগীত বোলা হয় । মহাপুৰুষ দুজনাৰ গীতসমূহৰ উচ্চ ভাৱসম্পন্ন বা শ্রেষ্ঠ অৰ্থ ( বৰ শ্রেষ্ঠা ) ত পিছৰ ভকতসকলে বৰগীত আখ্যা দিয়া বুলি ভবা হৈছে। বৰগীতসমূহৰ কিছুমান বিশেষত্ব আছে । যেনে –

১। ইয়াৰ ভাষা ব্রজাৱলী ।

২। আধ্যাত্মিকতা ।

৩। নিৰ্দিষ্ট ৰাগ – তাল যুক্ত ।

৪। দাস্য , শান্ত , বাৎসল্য ভাৱ প্রধান । আৰু

৫। শ্রীকৃষ্ণৰ লীলা ৰহস্য প্রকাশ আদি ।